NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 2-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান সামৰণি পৰিবলৈ মাথোঁ তিনিটা দিন বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে।

২। নিৰ্বাচন আয়োগে যিকোনো বিজ্ঞাপন, এপ অথবা জৰীপৰ জৰিয়তে নিৰ্বাচনোত্তৰ হিতাধিকাৰী-কেন্দ্ৰিক আঁচনিত ব্যক্তি বিশেষৰ নাম পঞ্জীভুক্ত কৰাৰ সকলো কাম-কাজ ততালিকে বন্ধ কৰিবলৈ ৰাজনৈতিক দলসমূহলৈ পৰামৰ্শ জাৰি কৰিছে।

৩। ভাৰতে ছক্‌ছগাম উপত্যকাৰ নিৰ্মাণৰ কাম-কাজকৰ তথ্য সলনি কৰাৰ বাবে চীনে চলোৱা অবৈধ প্ৰয়াসৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে।

৪। ভাৰতীয় মহিলা ক্ৰিকেট দলে পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত ঘৰুৱা দল বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হায়দৰাবাদত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান সামৰণি পৰিবলৈ মাথোঁ তিনিটা দিন বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। এই পৰ্যায়ত অহা ৭ মে'ত অসমকে ধৰি দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পূৰ্বে এইটো পৰ্যায়ত মুঠ ৯৪টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰাৰ কথা আছিল যদিও মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে, গুজৰাটৰ ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি ঘটোৱাৰ পৰিপ্ৰেক্ষিতত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস পায়।

এই পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰ ১১টা আৰু উত্তৰ প্ৰদেশৰ ১০টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। একেদৰে মধ্যপ্ৰদেশৰ ৯টা, ছট্টিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসম আৰু পশ্চিমবংগ উভয়ৰে ৪টাকৈ আৰু গোৱা, দাদ্ৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউৰ দুটাকৈ সংসদীয় সমষ্টিৰ বাবেও এইটো পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ জুনাগড়ত এখন নিৰ্বাচনী সভাত ভাগ লয় কয় যে বিজেপি চৰকাৰে সন্ত্ৰাসবাদক যোগ্য প্ৰত্যুত্তৰ প্ৰদানেৰে সমগ্ৰ দেশত শান্তি সুনিশ্চিত কৰিছে। কংগ্ৰেছ  বিভাজনৰ ৰাজনীতিত লিপ্ত হোৱা বুলি অভিযোগ তুলি শ্ৰী মোদীয়ে স্বাধীনতাৰ কেইবাদশক পাছত তামিলনাডুৰ সমীপৰ এটা দ্বীপ চুবুৰীয়া ৰাষ্ট্ৰ এখনক অৰ্পণ কৰাৰ বাবে দলটোৰ সিদ্ধান্তক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, বিজেপি চৰকাৰ সৰু সৰু দ্বীপপুঞ্জক ৰক্ষা কৰিবলৈ আৰু পৰ্যটনৰ প্ৰসাৰৰ বাবে বদ্ধপৰিকৰ।

ইয়াৰ পূৰ্বে শ্ৰীমোডীয়ে আজি গুজৰাটৰ আনন্দ আৰু সুৰেন্দ্ৰনগৰত দুটা ৰেলীত অংশ লয়। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে দেশবাসীক আশ্বাস দিয়ে যে ভাৰতে স্বাধীনতাৰ শতবাৰ্ষিকী উদযাপন কৰাৰ সময়লৈ উন্নত জাতিৰ মৰ্যদা লাভ কৰিব। আনন্দত এখন সভাত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, এন ডি এ শাসনৰ অধীনত যোৱা দহ বছৰত দেশত ব্যাপক পৰিৱৰ্তন দেখা গৈছে। সুৰেন্দ্ৰনগৰত অনুষ্ঠিত সভাত জনসাধাৰণক ভোটদান কৰিবলৈ আহ্বান জনোৱাৰ লগতে ভোটদানৰ পূৰ্বৰ সকলো অভিযোগ ভংগ কৰিবলৈ শ্ৰী মোদীয়ে আহ্বান জনায়। ভাষণ প্ৰসংগত বিৰোধী কংগ্ৰেছৰ কেলেংকাৰী আৰু দুৰ্নীতিৰ সমালোচনা কৰি শ্ৰী মোদীয়ে কয় যে, যোৱা দহ বছৰত দেশত এটাও কেলেংকাৰী হোৱা নাই।

ইপিনে কংগ্ৰেছ নেতা তথা ৰাজস্থানৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলটে আজি আহমেদাবাদত এখন সংবাদ মেল সম্বোধন কৰি দলৰ নিৰ্বাচনী ইস্তাহাৰত সমাজৰ সকলো শ্ৰেণীৰ প্ৰতি ন্যায়ৰ নিশ্চয়তা প্ৰদান কৰা হৈছে বুলি আশ্বাস দিয়ে। দেশত গণতন্ত্ৰৰ সুৰক্ষাক লৈ উদ্বেগ প্ৰকাশ কৰি শ্ৰী গেহলটে জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ লগতে মুদ্ৰাস্ফিতী আৰু নিবনুৱা সমস্যাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ অবহেলা কৰাৰ বাবে বিজেপিক তীব্ৰ সমালোচনা কৰে।

আম আদমী পাৰ্টিৰ নেত্ৰী সুনিতা কেজৰিৱালেও আজি ৰাজ্যখনত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। নেত্ৰীগৰাকীয়ে ভাৰনগৰ আৰু ভাৰুচৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত বোটাদ আৰু বেদীয়াপাড়াত ৰোড শ্ব'ত অংশ লয়।

ইফালে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই কৈছে যে, ভোটদানৰ দায়িত্ব সীমান্তৰ সুৰক্ষাৰ সমানে গুৰুত্বপূৰ্ণ। মধ্যপ্ৰদেশৰ মোৰেনাত আজি এটা সমাবেশক সম্বোধন কৰি তেওঁ এইদৰে প্ৰকাশ কৰে। বিজেপি চৰকাৰক জনসাধাৰণ বিৰোধী বুলি উল্লেখ কৰি শ্ৰীমতী গান্ধীয়ে কয় যে, দেশত কৰ্মসংস্থাপনহীনতাৰ হাৰ যোৱা ৪৫ বছৰৰ ভিতৰত সৰ্বাধিক হৈছে। মোদী চৰকাৰে কৰ্মসংস্থাপনৰ সকলো উপায় বন্ধ কৰিছে বুলি তেওঁ অভিযোগ তোলে।

০০০০০০০০

তৃণমূল কংগ্ৰেছৰ মুৰববী মমতা বেনাৰ্জীয়ে কৈছে যে, কেন্দ্ৰীয় চৰকাৰৰ অবহেলা সত্বেও দলটোৰ শাসনকালত পশ্চিমবংগ বিকাশৰ পথেৰে অগ্ৰসৰ হৈছে। পশ্চিমবংগৰ নাদিয়া জিলাৰ তেহট্টাত আজি কৃষ্ণনগৰৰ পৰা তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ হকে এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰীমতী বেনাৰ্জীয়ে এইদৰে কয়। তৃণমূল কংগ্ৰেছৰ মুৰববীগৰাকীয়ে কয় যে, তেওঁ পশ্চিমবংগত নাগৰিকত্ব সংশোধনী আইন আৰু ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী বলৱৎ হ'ব নিদিয়ে। ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ পৰা মহিলাসহ সকলো শ্ৰেণীৰ জনসাধাৰণ উপকৃত হৈছে বুলি তেওঁ দাবী কৰে। তেওঁ লগতে এই বুলিও অভিযোগ কৰে যে, বিজেপিৰ শাসনকালত কোনো নিৰাপদে নাথাকে আৰু এইবেলি বিজেপিয়ে কেন্দ্ৰত চৰকাৰ গঠন কৰিব নোৱাৰে। শ্ৰীমতী বেনাৰ্জীয়ে জনসাধাৰণক বিজেপিৰ ৰেলীৰ বিৰোধীতা কৰিবলৈ আৰু কেন্দ্ৰত এখন নতুন চৰকাৰ নিৰ্বাচিত কৰিবলৈ আহ্বান জনায়।

০০০০০০০০

নিৰ্বাচন আয়োগে যিকোনো বিজ্ঞাপন, এপ অথবা জৰীপৰ  জৰিয়তে  নিৰ্বাচনোত্তৰ হিতাধিকাৰী-কেন্দ্ৰিক আঁচনিত ব্যক্তি বিশেষৰ নাম পঞ্জীভুক্ত কৰাৰ সকলো কাম-কাজ ততালিকে বন্ধ কৰিবলৈ আৰু এনে কামৰ পৰা বিৰত থাকিবলৈ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ ৰাজনৈতিক দলসমূহলৈ পৰামৰ্শ জাৰি কৰিছে। আয়োগে কৈছে যে, নিৰ্বাচনৰ পাছত লাভৰ অৰ্থে পঞ্জীয়নৰ বাবে ভোটদাতাসকলক আমন্ত্ৰণ জনোৱাটো  নিৰ্বাচক আৰু প্ৰস্তাৱিত লাভৰ মাজত লেনদেনৰ সম্পৰ্কৰ আৱশ্যকতাৰ আভাস দিয়ে। ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৩(১) ধাৰাৰ অধীনত এই কাৰ্যক উৎকোচ গ্ৰহণ আৰু দুৰ্নীতিৰ সমপৰ্যায়ৰ বুলি উল্লেখ কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহক এনে কাৰ্যত জড়িত নহবলৈ নিৰ্দেশযোগে সকিয়াই দিছে। আয়োগে লগতে সকলো জিলা নিৰ্বাচনী বিষয়াক বিধিসন্মত ব্যৱস্থা অনুযায়ী এনে বিজ্ঞাপন বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০০

ভাৰতে ছক্‌ছগাম উপত্যাকাৰ নিৰ্মাণৰ কাম-কাজকৰ তথ্য সলনি কৰাৰ বাবে চীনে চলোৱা অবৈধ প্ৰয়াসৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। নতুন দিল্লীত আজি বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিদেশ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণদ্বীপ জয়ছোৱালে কয় যে, ভাৰতে ছক্‌ছগাম উপত্যাকাক নিজৰ ক্ষেত্ৰ বুলি গণ্য কৰে আৰু ১৯৬৩ চনৰ তথাকথিত চীন-পাকিস্তানী সীমা চুক্তি কেতিয়াও মানি নলয়। পাকিস্তানে এই চুক্তিৰ জৰিয়তে অবৈধভাৱে অঞ্চলটোক চীনক অৰ্পন কৰাৰ প্ৰয়াস চলাইছে। তেওঁ কয় যে, নতুন দিল্লী মহলে তৃণমূল পৰ্যায়ত তথ্য সলনি কৰাৰ অবৈধ প্ৰয়াসৰ বিৰুদ্ধে চীনৰ ওচৰত প্ৰতিবাদ সাব্যস্ত কৰিছে। ভাৰতৰ নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ অধিকাৰ আছে বুলি মুখপাত্ৰৰাকীয়ে উল্লেখ কৰে। আন্তঃৰাষ্ট্ৰীয় ধৰ্মীয় স্বতন্ত্ৰতা সম্পৰ্কীয় আমেৰিকাৰ আয়োগৰ এখন প্ৰতিবেদনৰ সিদ্ধান্ত অগ্ৰাহ্য কৰি ভাৰতে আয়োগটোক ৰাজনৈতিক উদ্দেশ্যে প্ৰণোদিত পক্ষপাতদুষ্ট সংস্থা বুলি অভিহিত কৰিছে। শ্ৰী জয়ছোৱালে কয় যে, সংস্থাটো ভাৰতৰ বৈচিত্ৰ্য, বহুত্ববাদী আৰু গণতান্ত্ৰি পৰম্পৰা বুজাৰ প্ৰয়াসত ব্যৰ্থ হৈছে। বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনী প্ৰক্ৰিয়াত হস্তক্ষেপৰ বাবে তেওঁলোকে চলোৱা প্ৰয়াস কেতিয়াও সফল নহয় বুলি শ্ৰী জয়ছোৱালে প্ৰকাশ কৰে।

০০০০০০০০

চীনৰ চেংদুত চলি থকা উবেৰ কাপৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰত পৰাজিত হৈছে। আজি অনুষ্ঠিত খেলত জাপানে ভাৰতক ৩-০ ব্যৱধানত পৰাজিত কৰে। ভাৰতৰ অস্মিতা চলিহা আৰু শীখাৰাণী বৰুৱাই একক খেলত জাপানৰ প্ৰতিযোগীৰ বিৰুদ্ধে পৰাজিত হোৱাৰ বিপৰীতে ডাবলছ খেলতো ভাৰতৰ প্ৰিয়া আৰু শ্ৰুতি মিশ্ৰ পৰাজিত হয়। আনহাতে, পুৰুষৰ থমাছ কাপত  কোৱাৰ্টাৰ ফাইনেলত চীনৰ বিৰুদ্ধে ভাৰত ৩-১ গলৰ ব্যৱধানত পৰাজিত হয়।

০০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি ছিলেটত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত ঘৰুৱা দল বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাত ৩-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। ভাৰতে ১১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৩ টা বলত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে বালাংদেশে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ১১৭ ৰান কৰে।

00000000

আই পি এল ক্রিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হায়দৰাবাদত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। ৰাজস্থান ৰয়েলছ বৰ্তমানলৈকে খেলা ৯খন খেলৰ ভিতৰত ৮খনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষত আছে। আনহাতে, হায়দৰাবাদে ৯খন খেলৰ ভিতৰত পাঁচখনত জয়লাভ কৰি পঞ্চম স্থানত আছে।

00000000

সমাপ্ত